بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ৪ নৱেম্বৰ ২০২২ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**তেহেৰিকে জাদিদৰ ৮৮ তম বছৰত জামাতৰ সদস্য সকলে আগবঢ়োৱা বৰঙণি সম্পৰ্কে বৰ্ণনা আৰু ৮৯ তম বছৰৰ শুভাৰম্ভণীৰ ঘোষণা**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি নৱেম্বৰ মাহৰ প্ৰথম জুমা আৰু পূৰ্বৰ নিয়ম অনুযায়ী আজিৰ খোতবাত তেহেৰিকে জাদিদৰ নতুন বছৰৰ ঘোষণা কৰা হয় আৰু যোৱা বছৰত আল্লাহ তা'লাৰ কৃপাবাৰিৰ উল্লেখ কৰা হয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে প্ৰত্যেক নবীয়েই নিজৰ উদ্দেশ্যক আগলৈ চলাই নিবলৈ মালৰ তেহেৰিক (বৰঙণি) কৰিছে। কোৰাণ কৰিমতও এই বৰঙণি সম্পৰ্কে উল্লেখ আছে। কোৰাণ কৰিমত আল্লাহ তা'লা স্পষ্ট ভাৱে কৈছে যে যি মালি কোৰবাণী কৰিবা আল্লাহ তা'লা ইহজগততেই তাৰ ফল প্ৰদান কৰিব। সেয়ে আল্লাহ তা'লা ছুৰা বাকাৰাৰ ২৬২ নম্বৰ আয়াতত তাৰ বাটত খৰচ কৰোঁতা সকলৰ উদাহৰণ আগবঢ়াইছে যে যিজন মোমিনে একাগ্ৰতাৰে আল্লাহৰ বাটত খৰচ কৰি থাকে আল্লাহ তা'লা তাৰ ঋণ নাৰাখে, বৰং ইহজগত আৰু আখেৰাতত তাৰ সীমাহীন ফল প্ৰদান কৰিব।

এই যুগত আল্লাহ তা'লা দ্বীনে ইছলামৰ প্ৰসাৰ আৰু প্ৰচাৰাৰ্থে হজৰত মছীহ মাওউদ (আঃ)ক প্ৰেৰণ কৰিছে। গতিকে তেখেত (আঃ)ৰ মান্যকাৰী সকলৰ কৰ্তব্য হ'ল ইশায়াতে ইছলাম আৰু তৌহিদ প্ৰতিষ্ঠাৰ্থে নিজৰ দায়িত্ব পালন কৰা। যদি একাগ্ৰতাৰে এই হ'ক আদায় কৰা হয় তেন্তে আল্লাহ তা'লাৰ কৃপাৰ অংশীদাৰ হ'ব পাৰিম। আঁহজৰত (ছাঃ)য়ে কৈছে, নামাজ,ৰোজা আৰু আল্লাহৰ জিকিৰ কৰা, আল্লাহ তা'লাৰ বাটত খৰচ কৰোঁতাক কেইবা গুণ বঢ়াই দি থাকে। এই হাদীছত আল্লাহ তা'লা এজন প্ৰকৃত মোমিনৰ চিত্ৰাঙ্কণ কৰিছে যে কেৱল ধনৰ কোৰবাণী কৰাই যথেষ্ট নহয় বৰং অন্যান্য ইবাদত কৰাৰও প্ৰয়োজন আছে। তেহে আল্লাহ তা'লা ইমানেই ফল দিয়ে যে মানৰে তলকিবই নোৱাৰে। মানুহে ইখিনিতেই আনন্দিত হ'ব নালাগে যে আমি আল্লাহৰ বাটত খৰচ কৰি দিছো। বাছ হৈ গৈছে, তেনে নহয় বৰং ইবাদত কৰাৰও প্ৰয়োজন আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত ৰাবেয়া বছৰিৰ পূৰ্ণ বিশ্বাস আৰু ভৰসা সম্পৰ্কে বৰ্ণনা কৰে আৰু কয় যে তেখেতে কোনো মতে দুটামান ৰুটি খোদা তা'লাৰ বাটত প্ৰদান কৰাত বিছটামান ৰুটি অতিথি সকলৰ বাবে আহি গৈছিল।

আল্লাহ তা'লা এই যুগত দ্বীনৰ উদ্দেশ্য সমূহ সম্পূৰ্ণ কৰিবলৈ হজৰত মছীহ মাওউদ (আঃ)ক প্ৰেৰণ কৰিছে আৰু জামাতৰ জৰিয়তে দ্বীন প্ৰচাৰ আৰু প্ৰসাৰৰ কাম চলি আছে। জামাতে প্ৰত্যেক বছৰ কেইবা মিলিয়ন পাউণ্ড ইশায়তে, লিটাৰেচাৰ মছজিদ নিৰ্মাণ, মিচন হাউচ নিৰ্মাণৰ কামত খৰচ কৰি আছে। উন্নত দেশ বিলাকৰ টকা আফ্ৰিকা,ভাৰত আৰু কেইবাটাও দেশৰ বাবে খৰচ হয়। এয়া আল্লাহ তা'লাৰ কৰুণা যে অৰ্থনৈতিক অৱস্থা বেয়া হোৱা সত্ত্বেও জামাতৰ সদস্য সকলে এই খৰচ বহন কৰি আছে। আল্লাহ তা'লাও নিজৰ আচৰণৰ দৃশ্য দেখুৱাই আছে; আৰু ধনী,দৰিদ্ৰ দেশবোৰৰ সকলো ঠাইতে কোৰবাণী কৰোঁতা সকলক বিস্ময়কৰ অনুগ্ৰহ দান কৰি আছে।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে লাইবেৰীয়া, অষ্ট্ৰেলিয়া, তানজানিয়া,গাম্বিয়া, নাইজেৰীয়া আৰু গিনিকিনাকৰি আৰু ভাৰতৰ সৈতে পৃথিৱীৰ বিভিন্ন দেশ সমূহৰ নাৰী-পুৰুষ, ডেকা-বুঢ়া, ল'ৰা-ছোৱালী,ধনী-দৰিদ্ৰ আদি বিভিন্ন শ্ৰেণীৰ মুখলিচ আহমদী সকলৰ ধন কোৰবাণীৰ ঈমান বৰ্দ্ধক ঘটনাৱলী বৰ্ণনা কৰে। হুজুৰ (আঃ)য়ে কয় ভাৰতৰ পৰা অকিল-উল মাল চাহাবে কৈছে যে ইয়াতে এজন ডাঙৰীয়া আছে যিজনে তেহেৰিকে জাদিদৰ চান্দা প্ৰদানত আগবঢ়া। তেখেতে বাজেট বঢ়োৱাবলৈ কয় যে কিমান বঢ়াই দিম ? তেতিয়া তেখেতক কোৱা হৈছিল যে আপোনাৰ সামৰ্থ্য অনুযায়ী বঢ়াই দিয়ক। কিন্তু লোকজনে ইচ্ছা কৰিছিল যে মৰকজি প্ৰতিনিধিয়ে কথাটো যেন কৈ দিয়ে। তেতিয়া প্ৰতিনিধি জনে কৈ দিছিল যে ঠিক আছে তেন্তে দহ লাখ টকা বঢ়াই দিছো। লোকজনে পাঁচ লাখ টকা আগতেই আদায় দিছিল বাবে বাকী পাঁচ লাখ টকা তেতিয়া আদায় দিছিল আৰু কৈছিল যে মোৰ এখন ঘৰ আছে যাৰ মাটিখিনি ৰেজিষ্ট্ৰাৰ হোৱা নাই, তাত ডাঙৰ ক্ষতি হোৱাৰ আশংকা আছে। কিন্তু এই চান্দা বঢ়োৱাৰ কিছুদিন পিছত সেই ৰেজিষ্ট্ৰাৰৰ কাম হৈ গৈছিল। এই কাম দীঘলীয়া হোৱাৰ ক্ষতি আল্লাহ তা'লা পূৰ্ণ কৰি দিয়ে। গতিকে আল্লাহ তা'লা নে ধনীৰ ঋণ ৰাখে না দৰিদ্ৰৰ ঋণ ৰাখে। প্ৰত্যেককেই তাৰ অনুযায়ী প্ৰতিদান দিয়ে।

ভাৰতৰ পৰা অকিল-উল মাল চাহাবে লিখিছে যে কাশ্মিৰৰ এজন ডাক্তৰ যিজনে প্ৰফেছৰ হয় স্বেৰ ইউনিভাৰছিটিৰ অধ্যাপক। চান্দাৰ বাজেট সমূলি আদায় দিয়াৰ পিছত তেখেতে কয় যে আল্লাহ তা'লা মোক উন্নতি দান কৰিছে, মোক চিফ ছাইনটিষ্ট বনাই দিয়া হৈছে আৰু মোৰ দৰমহা বহুত বঢ়াই দিছে। সেয়ে তেখেতে নিজৰ তেহেৰিকে জাদিদৰ চান্দাৰ বাজেটও পৰ্যাপ্ত পৰিমাণে বঢ়াই দিয়ে।

তেহেৰিকে জাদিদৰ এই ৮৮ তম বছৰৰ শেষত বিশ্ব ব্যাপি জামাতবোৰে এই মালি নিজামত ১৬.৪ মিলিয়ন পাউণ্ডৰ কোৰবাণী দিয়াৰ তৌফিক লাভ কৰিছে। পৃথিৱীৰ ভাঙনমূখী অৰ্থনৈতিক অৱস্থা সত্ত্বেও এই আদায়কৃত ধনৰ সংখ্যা যোৱা বছৰতকৈ আল্লাহৰ কৃপাত ১.১ মিলিয়ন পাউণ্ড বেছি হৈছে। এই বছৰও জাৰ্মানি জামাতে পৃথিৱীৰ সকলো জামাতৰ মাজত প্ৰথম স্থান লাভ কৰিছে। আল্লাহৰ কৃপাত পাকিস্তানও যথেষ্ট পৰিমাণে কোৰবাণী আগবঢ়াইছে। ইয়াতেও অৰ্থনৈতিক অৱস্থা বৰ বেয়া চলি আছে। মুদ্ৰাস্ফিতিৰ কাৰণে এওঁলোকে পিছ পৰি গৈছে যদিও কোৰবাণীৰ ক্ষেত্ৰত এওঁলোকৰ খোজ আগবঢ়া আছে। জাৰ্মানি যদিও আগত ৰৈ আছে নিজৰ স্থানীয় কাৰেন্সী হিচাপে তেওঁলোকৰ এই বছৰ কম আদায় হৈছে। বৃটেইন আৰু আমেৰিকাত যেনেকৈ বাঢ়ি গৈ আছে যদি এনেদৰে বাঢ়ি গৈ থাকে তেন্তে জাৰ্মানিতকৈ আগবাঢ়ি যাব।

এনেদৰে কানাডা, অষ্ট্ৰেলিয়া, ভাৰত আৰু ঘানাৰ জামাত বিলাকতও চান্দা লক্ষণীয় ভাৱে বৃদ্ধি পাইছে।

কাৰ্যকৰী হিচাপে উল্লেখনীয় জামাতবোৰ হ'ল হলেণ্ড,ফ্ৰান্স ছুইডেন,জাৰজিয়া, নাৰ্ৱে, বেলজিয়াম, বৰমা,মালয়াছিয়া,নিউজিলেণ্ড,বাংলাদেশ,কাৰিবাকি,কাজাকিস্তান,তিতাৰিস্তান,ফিলিপাইন আৰু পূৰ্বদেশীয় এটা জামাত অন্তৰ্ভুক্ত আছে।

আফ্ৰিকাৰ দেশ সমূহৰ ভিতৰত সমূহীয়া আদায় হিচাপে লক্ষণীয় পজিচনত আছে,ঘানা তাৰ পিছত আছে মৰিছাচ,নাইজেৰিয়া,বৰকিনাফাচু,তানজানিয়া,গাম্বিয়া, লাইবেৰীয়া,উগাণ্ডা, ছেৰালিউন আৰু বেনিন।

সদস্য সংখ্যাৰ হিচাপত আমেৰিকা,বৃটেইন আৰু অষ্ট্ৰেলিয়াৰ পজিচন আছে। আল্লাহৰ কৃপাত অংশ গ্ৰহণকাৰীৰ সংখ্যা হ'ল ১৫ লাখ ৯৪ হাজাৰ। সদস্য সংখ্যা বঢ়োৱাৰ ক্ষেত্ৰত আফ্ৰিকাৰ দেশ সমূহৰ ভিতৰত নাইজেৰিয়া প্ৰথম স্থানত আছে, তাৰ পিছত আছে গিনি বছাউ,কাঙ্গোব্ৰাজবিল, গিনিকিনাকৰি,তানজানিয়া, কাঙ্গোকিনাছো,গাম্বিয়া,কেমেৰুন, আইভৰিকোষ্ট,নাইজেৰ,ছেবেগাল আৰু বৰকিনাফাচো।

আল্লাহৰ কৃপাত দফতৰ আউৱালৰ খাতা জাৰি কৰা হৈছে। ভাৰতৰ দহখন জামাত এনেদৰে আছে প্ৰথম কয়েম্বটোৰ তালিমনাডু,দ্বিতীয় কাদিয়ান,তৃতীয় হায়দৰাবাদ,চতুৰ্থ কেৰুলাই,পঞ্চম পাথপ্ৰেম,ষষ্টম কালিকট, সপ্তম বাঙ্গালুৰু, অষ্টম মালয়ালম, নৱম কলিকতা আৰু দশম কেৰেং।

বৰঙিণিৰ হিচাপত ভাৰতৰ ৰাজ্য সমূহৰ ভিতৰত প্ৰথম হ'ল কেৰেলা,তামিললাডু,কৰ্ণাটক,জম্মু কাশ্মীৰ,তেলেঙ্গানা,উৰিষ্যা,পঞ্জাৱ,বেঙ্গল,দিল্লী আৰু মহাৰাষ্ট্ৰ।

হুজুৰ আনোৱাৰ (আইঃ)য়ে সকলো কোৰবাণী আগবঢ়োৱা সকলৰ নিমিত্তে দোৱা কৰে যে আল্লাহ তা'লা সকলো ধনৰ কোৰবাণী কৰোঁতা সকলৰ জান মালত অসীম বৰকত দান কৰক।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আই:) য়ে এখন ওৱেব ছাইট উদ্বোধনীৰ ঘোষণা কৰি কয় যে বৃটেইনৰ জামাতে আহমদীয়তৰ ইতিহাস নামাৰে এখন ওৱেব ছাইটৰ আৰম্ভণী কৰিছে। এই ওৱেব ছাইটত হজৰত মছীহ মাওউদ (আঃ)ৰ পশ্চিমীয়া দেশবোৰত ইশায়তি হিদায়তৰ অনুসন্ধানী বিষয় সমূহ ছপা কৰি উলিয়াইছে। বৃটেইনত জামাতে আহমদীয়াৰ শুভাৰম্ভ ১৯১৩ চনৰ পৰা হোৱা বুলি ধৰা হয়। কাৰণ এই চনত চৌধুৰী ফতেহ মহম্মদ ছিয়াল চাহাব বৃটেইনলৈ আহিছিল। তেতিয়াৰে পৰা বৃটেইনত আৰু ইউৰোপত বিভিন্ন দেশবোৰত হজৰত মছীহ মাওউদ (আঃ)ৰ পয়গাম,তেখেত (আঃ)ৰ মুজাদ্দিদৰ দাবী সহ পৌচাই গৈছিল। যেতিয়া হজৰত মছীহ মাওউদ (আঃ)য়ে দলিল প্ৰমাণৰ এখন পত্ৰ আৰু ইংৰাজী ইস্তেহাৰৰ আঠ হাজাৰ কপি বনাই লৈ হিন্দুস্থানৰ আৰু ইংলেণ্ডৰ বিখ্যাত পাদ্ৰী সকলক আৰু বিভিন্ন সম্প্ৰদায় আৰু ধৰ্মৰ নেতা সকললৈ পৌচাই দিছিল। তাৰে এটা উদাহৰণ হ'ল এয়া যে বৃটেইনৰ এজন নাস্তিক চাৰ্লছ বেডলায় ১৮৮৫ চনতেই হজৰত মছীহ মাওউদ (আঃ)ৰ আমন্ত্ৰণ পাইছিল। কেৰি কনষ্টিটিউচন বাতৰি কাকতত ৮ জুন ১৮৮৫ চনত এই খবৰ মুদ্ৰিত হৈছিল। এনেদৰে দি থিয়ছফিষ্ট ১৮৮৬ চনৰ চেপ্তেম্বৰ মাহত প্ৰকাশ কৰিছিল।

উক্ত ওৱেব ছাইটত হজৰত মছীহ মাওউদ (আঃ)ৰ মোবাৰক সময় ছোৱাৰ ওপৰত এখন টাইম লাইন তৈয়াৰ কৰা হৈছে,য'ত পশ্চিমীয়া দেশত পয়গামে হ'কৰ ওপৰত এক গুৰুত্বপূৰ্ণ বৰ্ণনা দাঙি ধৰা হৈছে। আনহাতে পাইওনিয়েৰ মিচনাৰি নামেৰে আৰু এখন টাইম লাইন তৈয়াৰ কৰা হৈছে যি খনত প্ৰাথমিক যুগৰ মোবাল্লিগিন ছিলছিলা, য'ত হজৰত মছীহ মাওউদ (আঃ)ৰ চাহাবা সকল অন্তৰ্ভুক্ত আছে, তেওঁলোকৰ পৰিচয় আৰু তেওঁলোকে বৃটেইনত কৰা খিদমত সম্পৰ্কে উল্লেখ কৰা হৈছে। এনেদৰে হজৰত

মছীহ মাওউদ (আঃ)ৰ পাদ্রী এগট নামাৰে ভৱিষ্যত বাণীৰ ওপৰত উদ্ধৃতি সহ এটা বিতং ব্যাখ্যাৰ টোকা ছপা কৰা হৈছে। ইয়াৰ ওপৰি ইতিহাস সম্পৰ্কে অনুসন্ধানী বিষয়বোৰও ছপা কৰা হৈছে যিবোৰ আমাৰ ডেকা চামক সকলো কথা স্পষ্ট কৰি দিব যে তেওঁলোকৰ পূৰ্ব পুৰুষ সকলে এই দেশবোৰলৈ অহাৰ আচল উদ্দেশ্য কি আছিল। উক্ত ওয়েৱ ছাইটৰ ঠিকনা হ'ল, history.ahmadiyya.uk

যিয়েই নহওঁক এই ওয়েব ছাইট আজিৰ পৰা আৰম্ভ হ'ব। গতিকে আজি আনুষ্ঠানিক ভাৱে ইয়াৰ উদ্বোধনী কৰা হ'ব। আল্লাহ তা'লা আমাৰ আৰু বেলেগৰ ভাৰেও এই ওয়েৱ ছাইটক লাভদায়ক বনাওঁক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئٰاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 4 NOV 2022**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**